- কোনো ঘোষিত মীন মহলত মহলদাৰ বা অন্য কোনোৱে মৰাপাট গোৰাব নোৱাৰিব। (বিধি-২১)
- ১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈ ৭ ছেঃমিঃ বাৰ /১৪ ছেঃমিতকৈ কম পাহিৰ বেৰজাল, মহাজাল, ফাঁচিজাল বা অন্য যিকোনো জাল ঘোষিত মীন মহলত ব্যৱহাৰ কৰা নিষেধ। [ধাৰা-২৩ (১)]
- ১ ছেঃমিঃ বাৰ /২ ছেঃমিঃ তকৈ কম পাহিৰ আঠুৱাজাল গোটেই বছৰ জুৰি মীন মহলত ব্যৱহাৰ কৰা নিষেধ। [ধাৰা-২৩ (২)]
- ১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈ মাছৰ প্ৰজনন ঋতুৰ সময়ত ৰৌ, বাহু, মিৰিকা, মালি (কলিয়াজাৰ), চিতল, খৰিয়া, পিঠিয়া, ঘৰীয়া আৰু কুঢ়ি প্ৰজাতিৰ কণী বা শুক্ৰ থকা গাভিনী মাছ ঘোষিত মীন মহলত মাৰিব নোৱাৰিব। [ধাৰা-২৩ (ক) (১)]



- ১ আগষ্টৰ পৰা ৩১ অক্টোবৰলৈ ৰৌ, বাহু, মিৰিকা, চিতল, খৰীয়া, পিঠিয়া, ঘৰীয়া আদি মাছৰ ২৩ ছেঃমিঃ দৈৰ্ঘ্যতকৈ তলৰ আৰু মালি (কলিয়াজাৰ), ভাঁঙোন কুঢ়ি মাছৰ ১০ ছেঃমিঃ দৈৰ্ঘ্যতকৈ সৰু মাছ, খোৱা বা বেচাৰ বাবে ধৰিব অথবা মাৰিব নোৱাৰিব। সৰু মাছৰ ক্ষেত্ৰত উক্ত বাধা নিষেধ মীন বিভাগৰ অনুমতি সাপেক্ষে কেৱল 'মীন পালন'ৰ বাবে শিথিলকৰণ হব পাৰে। [ধাৰা-২৩ (ক) (২)]
- যদি মাছ ধৰাৰ সময়ত তেনে মাছ জালত পৰে, তেনেহ'লে জীয়াই জীয়াই উক্ত মীনমহলত এৰিব লাগিব নাইবা মীন বিভাগে সময়ে সময়ে নিৰ্দ্ধাৰিত কৰি দিয়া মূল্যত মীন বিভাগক যোগান ধৰিব লাগিব। [ধাৰা-২৩ (ক) (৩)]
- ১ মে'ৰ পৰা ১৫ জুলাইলৈ কোনো নদী, ডোবা, বিল বা মীন মহলত ৭ বৰ্গ ছেঃমিঃতকৈ সৰু ফাঁকৰ অস্থাৱৰ বানা (বাঁহেৰে তৈয়াৰী মাছ ধৰা সঁজুলি) মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব। (ধাৰা-২৪)

ওপৰত উল্লেখ কৰা নিষেধাজ্ঞা সমূহ বা আইনৰ অন্যান্য বিধি ভঙ্গ কৰিলে অসম মীন আইনৰ ২২ নং আৰু ৪১ নং ধাৰা অনুসৰি আইন ভঙ্গকাৰী সকলক সৰ্বনিম্ন ১০০০ টকাৰ পৰা ৫০০০ টকালৈকে জৰিমনা বিহা হ'ব পাৰে। যদিহে এবাৰ জৰিমনা ভৰাৰ পিছত পুনৰবাৰ আইন ভঙ্গ কৰে তেনেহলে প্ৰথমবাৰ ভঙ্গ কৰা দিনৰ পৰা আৰম্ভ কৰি প্ৰতিদিনে ১০০ টকাকৈ পুনৰ জৰিমনা ভৰিব লাগিব।

আনহাতে উক্ত জৰিমনা ভৰাৰ উপৰিও তেনে কামৰ বাবে ব্যৱহাৰ হোৱা জাল, অন্যান্য মাছ ধৰা সঁজুলি আদি বাজেয়াপ্ত কৰিব পাৰে। লেচী বা মহলদাৰে এনে আইন ভঙ্গ কৰিলে মীন মহল বন্দোবস্তী নাকচ হব পাৰে আৰু আমানতৰ ধনো বাজেয়াপ্ত কৰা হ'ব পাৰে।

ভাৰতীয় মীন আইন ১৮৯৭ ৰ ৭ (১) ধাৰা আৰু মীন নীতি ১৯৫৩ চনৰ ২৭ নং ধাৰা অনুসৰি উক্ত আইন ভঙ্গকাৰী সকলক দণ্ডাদীশ, আৰক্ষী বিষয়া তথা মীন বিভাগৰ মীন উন্নয়ন বিষয়া বা তাতকৈ উচ্চ পৰ্যায়ৰ যিকোনো বিষয়াই গ্ৰেপ্তাৰ কৰাৰ উপৰিও বিধি অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

আমাৰ সকলোৰে জ্ঞাত যে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত দ্বিতীয় সৰ্ববৃহৎ ৰাজ্য অসমত দ' জলাহ, খাল, বিল আদিৰ লগতে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ লগতে উপনৈ সমূহেৰে এক বিস্তীৰ্ণ জলসম্পদ আছে। বিশেষতঃ প্ৰাকৃতিক বিল আৰু নৈ-উপনৈসমূহে মীন উৎপাদনত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। আমি এই উৎপাদনমুখী উৎসসমূহক সঠিকভাৱে সংৰক্ষণ কৰিব লাগিব। নদী, উপনদী, জলাহ আৰু বিলবোৰত যধে মধে মাছ ধৰা, বছৰৰ বেছিভাগ সময়ে অপতৃণে ঘেৰি ৰখা, বিজ্ঞানসন্মত ব্যৱস্থাৱলীৰ অভাৱৰ হেতু প্ৰাকৃতিক ভাৱে মাছৰ উৎপাদন দিনে দিনে কমি আহিছে। সেয়েহে আমি প্ৰাকৃতিক পৰিৱেশ অক্ষুণ্ণ ৰাখি এই উৎসবোৰৰ সংৰক্ষণ আৰু ইয়াৰ পৰা মৎস্য উৎপাদন বৃদ্ধি কৰিব লাগিব।

আহঁক, আমি সকলোৱে এই উৎসসমূহক সংৰক্ষণ কৰো লগতে প্ৰচলিত মীন সম্বন্ধীয় আইন-কানুনসমূহ আখৰে আখৰে পালন কৰি অসমৰ মৎস্য উৎপাদন তথা থলুৱা মাছৰ প্ৰজাতিৰ সংৰক্ষণত অৰিহণা আগবঢ়াওঁ।

***প্ৰয়োজনাধিক সাৰ আৰু ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ মাছৰ বাবে অপকাৰী তথা জনস্বাস্থ্যৰ বাবেও হানিকাৰক।***

*বিশদ তথ্যৰ বাবে মীন প্ৰদৰ্শক, মীন উন্নয়ন বিষয়া, মহকুমা অথবা জিলা মীন উন্নয়ন বিষয়াৰ কাৰ্য্যালয় নতুবা মীন সঞ্চালকালয়ৰ লগত যোগাযোগ কৰক।*

**মীন তথ্য শাখা ঃ মীন সঞ্চালকালয়, অসম**

মীন ভৱন, গুৱাহাটী-৭৮১০১৬, দুৰভাষ ঃ- ০৩৬১-২৫৪৫১০৪

ই-মেইল ঃ dirfishassam2019@gmail.com, ৱেব ঃ https://fisheriesdirector.assam.gov.in

২০১৯-২০ বৰ্ষত মীন বিভাগ, অসমৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত

*।। মাছত স্বাস্থ্য, মাছত ধন, কৰিম অসম নদন বদন ।।*

# মাছ পোনা উৎপাদন তথা থলুৱা মাছ আৰু মাছৰ উৎস সমূহৰ সংৰক্ষণ সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বিধি বিধান







## মীন বিভাগ ঃ অসম চৰকাৰ



মীন পাম এখনৰ উৎপাদন তথা সামগ্ৰিক আয় বৃদ্ধিৰ ক্ষেত্ৰত গুণগত মানৰ মাছ পোনাৰ গুৰুত্ব অপৰিসীম। সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে উপযুক্ত বয়স আৰু সঠিক ওজনৰ মাছৰ পৰা পোনা উৎপাদন কৰিলে তেনে পোনাৰ দৈহিক বৃদ্ধি ত্বৰান্বিত হয়। সীমিত কাৰিকৰী জ্ঞান আৰু সীমিত আন্তঃগাঁথনিৰে জধে-মধে পোনা উৎপাদন কৰিলে, তেনে পোনা নিম্নমানৰ হয় আৰু মীন পামৰ সামগ্ৰিক উৎপাদন কমি যায়। গুণগত মানৰ মাছ পোনা উৎপাদন আৰু থলুৱা মাছৰ সংৰক্ষণৰ বাবে অসম চৰকাৰে অসম মীন নীতি ১৯৫৩ আৰু অসম মীন পোনা আইন ২০০৫ ৰ সফল ৰূপায়নত গুৰুত্ব আৰোপ কৰি আহিছে। মীন পোনা আইন, ২০০৫ ৰ আধাৰত অসম মীন পোনা নীতি ২০১০ গৃহীত হৈছে। গুণগত মাছপোনা উৎপাদনৰ ক্ষেত্ৰত এনে ধৰণৰ প্ৰচেষ্টা দেশৰ ভিতৰতেই প্ৰথম বুলি পৰিগণিত হৈছে। মীন ক্ষেত্ৰখনৰ লগত জড়িত সমূহ ব্যক্তি তথা সৰ্বসাধাৰণ ৰাইজৰ সচেতনতা ও সহযোগিতা অবিহনে এই আইন সমূহৰ সফল ৰূপায়ন সম্ভৱ নহয়।

**মাছ পোনা উৎপাদনত ব্যৱহাৰ কৰা প্ৰজননক্ষম মাছৰ নূন্যতম ওজন**

- ভকুৱা, চিলভাৰ কাৰ্প, গ্ৰাছ কাৰ্পৰ ক্ষেত্ৰত ৩ কেজি।
- ৰৌ, মিৰিকা মাছৰ ক্ষেত্ৰত ১.৫ কেজি।
- কমন কাৰ্পৰ ক্ষেত্ৰত ১ কেজি।
- কুঢ়ি, ভাঙোন আদিৰ সৰু কাৰ্প মাছৰ ক্ষেত্ৰত ৫০০ গ্ৰাম।
- প্ৰজননত ব্যৱহাৰ হোৱা মাছৰ নূন্যতম বয়স ২ বছৰ।

[অসম মীন পোনা আইন দফা নং - ১১ (৬)]

## অসম মীন পোনা আইন আৰু নীতি অনুসৰি

- বিভাগীয় অনুজ্ঞাপত্ৰ অবিহনে মাছপোনাৰ উৎপাদন, প্ৰতিপালন আৰু পৰিবহন কৰাটো আইনমতে নিষিদ্ধ আৰু দণ্ডনীয় অপৰাধ। এই আইন প্ৰযোজ্য হোৱাৰ আগৰ পৰা পোনা উৎপাদন, প্ৰতিপালন আৰু পোনা ব্যৱসায় কৰি থকা সকলেও অনুজ্ঞাপত্ৰ গ্ৰহণ কৰাটো বাধ্যতামূলক।
- মীন পোনা উৎপাদনৰ বাবে ইচ্ছুক সকলে অনুজ্ঞাপত্ৰৰ বাবে নিৰ্দিষ্ট প্ৰ-পত্ৰত প্ৰতি বছৰৰ ৩১ জানুৱাৰীৰ ভিতৰত জিলা মীন উন্নয়ন বিষয়াক আবেদন কৰিব লাগিব আৰু জিলা মীন উন্নয়ন বিষয়াই চৰজমিন তদন্ত কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব।

**থাইলেণ্ড মাগুৰ, জাপানী কাৰৈ বা টিলাপিয়া আৰু বিগহেড্‌কাৰ্প মাছৰ পোনা উৎপাদন তথা প্ৰতিপালন কৰাটো আইনমতে নিষিদ্ধ আৰু দণ্ডনীয় অপৰাধ।**



বিগহেড্ কাৰ্প



জাপানী কাৰৈ



থাই মাগুৰ

- মীন পোনা উৎপাদনকাৰীয়ে বিভাগীয় বিধি-বিধানৰ আওতাৰ ভিতৰত পোনা উৎপাদন কৰিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে বিভাগে প্ৰদান কৰা সংশ্লিষ্ট বিষয়ক প্ৰশিক্ষণ গ্ৰহণ কৰাটো বাধ্যতামূলক। [দফা নং-৭(৪)]
- অনুজ্ঞাপত্ৰ এবছৰৰ বাবে প্ৰদান কৰা হয় আৰু পৰৱৰ্তী বৰ্ষসমূহত নিৰ্দ্ধাৰিত সময়ত ইয়াৰ নবীকৰণ কৰাটো বাধ্যতামূলক। (দফা নং-৮)
- মীন পোনা উৎপাদন কেন্দ্ৰটিত বিজ্ঞানসম্মত নূন্যতম আন্তঃগাঁথনি থকাটো বাধ্যতামূলক। ইয়াৰ অবিহনে বিভাগীয় অনুজ্ঞাপত্ৰ বাতিল হ'ব পাৰে।
- অনুমোদিত আৰু নিৰ্দ্দিষ্ট ওজনৰ মাছৰহে প্ৰজনন তথা পোনা উৎপাদন কৰিব লাগে। [দফা নং-১১(৬)]
- পোনা উৎপাদনৰ বাবে ব্যৱহাৰ হ'বলগীয়া মাছৰ কমেও ৩০% অন্য পোনা উৎপাদনকাৰীৰ সৈতে সলনি কৰি ল'ব লাগে। [দফা নং-১১(৭)] এই ব্যৱস্থাৰে স্ব-বংশীয় প্ৰজনন (Inbreeding) হ্ৰাস কৰিব পৰা যায়। প্ৰাকৃতিক উৎস যেনে- নদী, বিল, আদিৰ পৰা সংগ্ৰহ কৰা মাছৰ পৰা পোনা উৎপাদন কৰিলে, পোনাৰ গুণগত মান উন্নত হয়।
- একেটা উৎপাদন কক্ষতে (Breeding Pool) একে সময়তে একাধিক প্ৰজাতিৰ মাছৰ প্ৰজনন কৰিব নালাগে। এনে কৰিলে বৰ্ণসংকৰ প্ৰজনন (Cross Breeding) হোৱাৰ ফলত উৎপাদিত পোনাৰ আনুবংশিক পৰিবৰ্তন হোৱাৰ লগতে গুণগত মান হ্ৰাস হোৱাৰ আশংকা থাকে।
- মাছপোনা উৎপাদনকাৰী, মাছ পোনা প্ৰতিপালক তথা মাছপোনা ব্যৱসায়ীসকলে পঞ্জীকৰণ তথা অনুজ্ঞাপত্ৰ পাবৰ বাবে সংশ্লিষ্ট জিলা মীন উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ত যোগাযোগ কৰিব লাগিব। (দফা নং-৭(১)

### অনুজ্ঞাপত্ৰ পঞ্জীকৰণ মাচুলৰ নিৰিখ

| শ্ৰেণী | উৎপাদন ক্ষমতা / পানীকালি | মাচুলৰ পৰিমাণ (টঃ) |
|---|---|---|
| পোনা উৎপাদনকাৰী | (ক) প্ৰতিবছৰে ৫ নিযুতলৈকে স্প'ন | ১০০০.০০ |
| | (খ) প্ৰতিবছৰে ৫-৫০ নিযুতলৈকে স্প'ন | ৩০০০.০০ |
| | (গ) প্ৰতিবছৰে ৫০ নিযুতৰ ওপৰত স্প'ন | ৫০০০.০০ |
| পোনা প্ৰতিপালনকাৰী | (ক) পানীকালি ১ হেক্টৰলৈকে | ৫০০.০০ |
| | (খ) পানীকালি ১ হেক্টৰৰ ওপৰত | ১০০০.০০ |
| পোনা ব্যৱসায়ী | (ক) হাণ্ডীৱালা | ৫০.০০ |
| | (খ) পাইকাৰী বিক্ৰেতা / পোনা বিক্ৰী বজাৰৰ মালিক | ৫০০০.০০ |
| | (গ) পোনা আমদানিকাৰী | ৫০০০.০০ |
| | (ঘ) পোনা ৰপ্তানিকাৰী | ২৫০০.০০ |

* অনুজ্ঞাপত্ৰ নৱীকৰণৰ বাবে মাচুলৰ নিৰিখ হ'ল পঞ্জীকৰণ মাচুলৰ ১০%



**অসম মীন নীতি, ১৯৫৩ (সংশোধিত ২০০৫)** অনুসৰি প্ৰাকৃতিক জলাশয়ত মাছৰ সংৰক্ষণ, বংশবৃদ্ধি আৰু উৎপাদন বৃদ্ধিৰ বাবে প্ৰজনন কালছোৱাৰ লগতে বছৰটোৰ বাবে মাছ ধৰা আৰু জাল আদি ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান বাধা নিষেধ জাৰি কৰা হৈছে। এই সমূহ থোৰতে এনে ধৰণৰ–

- লিজত বা ডাকত লোৱা মীন মহল কোনো মহলদাৰে পানী সিচি মীন মহল শুকাই পেলাব নোৱাৰিব (বিধি-১৮) আৰু লিজত লোৱা মীন মহল মেটেকা, জলজ উদ্ভিদ আদিৰ পৰা চাফা কৰি ৰাখিব লাগিব।